**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬১২/২০১৯**

**<u>চৰকাৰী আঁচনি সমূহৰ ক্ষিপ্ৰ ৰূপায়ণেৰে জনসাধাৰণক উপকৃত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ</u>**

**আগন্তুক বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত ১ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়াললৈ ভূমি পট্টা প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ২৬ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলা উপায়ুক্ত সকলক কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনি সমূহ নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰূপায়ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা উপায়ুক্তসকলক জিলা সমূহৰ চুকে-কোণে পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে সঘনাই মত-বিনিময় কৰাৰ উপৰি চৰকাৰী আঁচনি সমূহৰ সুফল যাতে জনসাধাৰণে প্ৰকৃতাৰ্থত লাভ কৰিব পাৰে তথা সুশাসনৰ ফল যাতে লাভ কৰিব পাৰে তাৰ বাবে এক ব্যস্ততাপূৰ্ণ কৰ্মসূচী গ্ৰহণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আজি জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলৰ সৈতে বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণ সন্দৰ্ভত জনতা ভৱনৰ পৰা ভিডিঅ’ কনফাৰেঞ্চৰ জৰিয়তে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সকলোবোৰ কল্যাণকামী আঁচনি বিশেষকৈ দুখীয়া, কৃষক, গ্ৰামাঞ্চলৰ জনসাধাৰণ আৰু মহিলাৰ কল্যাণকামী আঁচনি সমূহ যুদ্ধকালীন ভাৱে ৰূপায়ণ কৰি সম্পন্ন কৰাৰ ব্যৱস্থা কৰিবলৈও উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে প্ৰথমবাৰৰ বাবে বৃহৎ হাৰত খিলঞ্জীয়া জনসাধাৰণলৈ ভূমি পট্টা প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক ৰাজ্যখনৰ ১ লাখ জনসাধাৰণলৈ এই বিত্তীয় বৰ্ষত ভূমি পট্টা প্ৰদানৰ কাম ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক ৰাজ্য চৰকাৰে ২০২০ বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা নতুনকৈ পঞ্জীয়ন কৰা বিবাহিত দম্পতিৰ বাবে আৰম্ভ কৰিবলগীয়া অৰুন্ধতী আঁচনিৰ সম্পৰ্কত উপযুক্ত সজাগতা সৃষ্টিৰ পদক্ষেপ ল’বলৈও নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই আঁচনিৰ জৰিয়তে হিতাধিকাৰীয়ে আ-অলংকাৰ ক্ৰয়ৰ বাবদ ৩০ হাজাৰ টকাকৈ লাভ কৰিব।

প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়ণৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক হিতাধিকাৰীসকলে যাতে দ্ৰুত ভাৱে এই আঁচনিৰ জৰিয়তে গৃহ লাভ কৰিব পাৰে সেইটো নিশ্চিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ভূমিহীন হিতাধিকাৰীসকললৈ এই আঁচনিৰ জৰিয়তে গৃহ প্ৰদানৰ বাবে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু চক্ৰবিষয়াসকলৰ সৈতে আলোচনা কৰি এই সন্দৰ্ভত পদক্ষেপ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ভূমিহীন হিতাধিকাৰীসকলক

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

চৰকাৰী মূল্যত ভূমি প্ৰদানৰ লক্ষ্য স্থিৰ কৰাৰ বাবেও উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ বাসিন্দাসকলক সুবিধা প্ৰদান কৰিবলৈ আদৰ্শ গাঁও স্থাপনৰ সম্ভাৱনীয়তা সম্পৰ্কেও বিচাৰ-বিবেচনা কৰি পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন আঁচনি আৰু বিধৱা পেঞ্চন আঁচনিত আৰু অধিক হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ সম্বন্ধে উপযুক্ত সজাগতা সৃষ্টিৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে চাহ বাগিচা সমূহত হাইস্কুল স্থাপনৰ বাবে সংশ্লিষ্ট সকলো পক্ষৰ সৈতে আলোচনা কৰি চাহ বাগিছা এলেকাত ভূমি চিনাক্তকৰণ দ্ৰুততাৰে সম্পন্ন কৰাৰ বাবেও সংশ্লিষ্ট জিলা সমূহৰ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ আঁচনি সমূহৰ ৰূপায়ণৰো পৰ্যালোচনা কৰি জিলা উপায়ুক্তসকলক তেওঁলোকৰ মানৱ সম্পদ আৰু পৰিকাঠামো উপযুক্ত ভাৱে প্ৰয়োগেৰে এই ক্ষেত্ৰত নিশ্চিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ, অটল অমৃত অভিযান, মুখ্যমন্ত্ৰী বিনামূলীয়া পৰীক্ষা আঁচনি, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, উজ্বলা আৰু সৌভাগ্য ইত্যাদিৰ লেখীয়া আঁচনি সমূহৰো ৰূপায়ণৰ পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে মৈত্ৰী আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা আৰক্ষী থানা সমূহৰ নিৰ্মাণৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল'বলৈও সংশ্লিষ্ট জিলাৰ আৰক্ষী অধীক্ষক সকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা সমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক চৰকাৰী আঁচনি সমূহৰ সফল ৰূপায়ণৰ নিশ্চিতি কল্পে স্থানীয় জনসাধাৰণক ওতঃপ্ৰোত ভাবে জড়িত কৰোৱাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেঞ্চৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অতিৰিক্ত মুখ্য সচিব সকল ক্ৰমে কুমাৰ সঞ্জয় কৃষ্ণ, ভি এছ ভাস্কৰ, মণিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিঙৰ লগতে শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ /**
**২৬/১২/২০১৯**